# অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন

বৰ্তমান সময়ত অসমীয়া জীৱনী আৰু আত্মজীৱনী সাহিত্যই বহুদূৰ অতিক্ৰমি এক সবল তথা জনপ্ৰিয় সাহিত্যৰ শাখা হিচাপে গঢ় লৈ উঠিছে। কিন্তু এই বিষয়ৰ আলোচনা বা সমালোচনামূলক গ্ৰন্থ যিমান থাকিব লাগিছিল সেই অনুপাতে তেনেই তাকৰ। সেই অভাৱ পূৰণৰ অৰ্থে এনে এখন গ্ৰন্থৰ সংকলন আৰু সম্পাদনা কৰা হ'ল। ইয়াৰ উপৰি গ্ৰন্থখনৰ আৰম্ভণিতে 'ভূমিকা'ৰ শিতানত যথাসম্ভৱ 'জীৱনী আৰু আত্মজীৱনী'ৰ নাম আৰু প্ৰকাশৰ সময় নিৰূপণ কৰিবলৈ যত্ন কৰা হৈছে।

এই গ্ৰন্থখন সম্পাদনা কৰিছে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অমল চন্দ্ৰ দাসে।

ISBN: 978-81-7213-342-8

পূৰ্বাঞ্চল প্ৰকাশ
গু ৱা হা টী

Price: ₹ 299.00

অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন | সম্পাদনা অমল চন্দ্ৰ দাস



# অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন

সম্পাদনা
**অমল চন্দ্ৰ দাস**

**ASAMIYA JIBANI ARU ATMAJIVANI ADHYAN** : A book on Biography & Autobiography in Assmese Literature edited by Amal Ch. Das, Asstt. Professor and published by M/s. Purbanchal Prakash, H.No.-2, Seujee Path, Dr. B. N. Saikia Road, Wireless, Guwahati-781006.

**₹. 299 only**

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, দিছপুৰ, গুৱাহাটী-৬ ॥

॥ মুদ্ৰণ ঃ আংগিক প্ৰেছ, আমবাৰী, গুৱাহাটী-১ ॥

॥ প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০১৮ ॥

॥ বেটুপাতৰ শিল্পী ঃ অনুপম ভৰদ্বাজ ॥

॥ © লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥

ISBN : 978-81-7213-342-9

॥ মূল্য ঃ ২৯৯ টকা ॥

আত্মজীৱনী ঃ সংজ্ঞা আৰু স্বৰূপ
■ ড° জ্যোতির্ময়ী ভট্টাচাৰ্য ১৫৬
হৰকান্ত বৰুৱাৰ 'সদৰামীনৰ আত্মজীৱনী'
■ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য ১৭১
লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'
■ ড° প্ৰাণজিৎ বৰুৱা ১৮৩
নলিনীবালা দেৱীৰ 'এৰি অহা দিনবোৰ'
■ ড° জ্যোতির্ময়ী ভট্টাচাৰ্য ১৯৫
নজৰ আলীৰ 'মোৰ জীৱনৰ কিছু কথা'
■ ড° আব্দুল মালিক ২০৪
মহেশ্বৰ নেওগৰ 'জীৱনৰ দীঘ আৰু বাণি'
■ ড° গায়ত্ৰী চুতীয়া ২০৯
মামণি ৰয়ছম গোস্বামীৰ 'আধালেখা দস্তাবেজ'
■ ড° চুমী কলিতা ২১৮
মহেন্দ্ৰ বৰাৰ 'উপলা নদীৰ দৰে'
■ ড° দীপশিখা কলিতা ২২৯
হোমেন বৰগোহাঞিৰ 'ধুমুহা আৰু ৰামধেনু'
■ ড° সুব্ৰত জ্যোতি নেওগ ২৪৫
প্ৰফুল্লদত্ত গোস্বামীৰ 'মনৰ পখী উভতি উৰে'
■ ড° প্ৰফুল্ল কুমাৰ নাথ ২৫১
ভবেন্দ্ৰ নাথ শইকীয়াৰ 'জীৱন-বৃত্ত'
■ ড° কানন মেধি পাটগিৰী ২৬৪
নগেন শইকীয়াৰ 'ধূলিৰ ধেমালি'
■ ড° হৰি প্ৰসাদ বৰুৱা ২৭১
নিৰ্মলপ্ৰভা বৰদলৈৰ 'জীৱন জীৱন বৰ অনুপম'
■ ড° স্বাতী কিৰণ ২৭৮
হীৰেন গোহাঁইৰ 'বতাহত ক'ৰ গধূলিগোপাল'
মনচুমী বৰা ২৮৮
■ লেখক-পৰিচিতি ৩০২

# নগেন শইকীয়াৰ 'ধূলিৰ ধেমালি'

ড° হৰি প্ৰসাদ বৰুৱা

নগেন শইকীয়া অসমৰ এজন বিশিষ্ট সাহিত্যিক। কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ শেষৰফালে গল্প ৰচনাৰে অসমীয়া সাহিত্য জগতত প্ৰৱেশ কৰি বৰ্তমান তেওঁ সাহিত্যৰ প্ৰায় সকলো দিশতে বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। বিশেষকৈ গল্প, কবিতা, উপন্যাসিকা, নাটক, ভ্ৰমণ-কাহিনী, জীৱনী, সমালোচনা, অনুবাদ-সাহিত্য প্ৰভৃতি সাহিত্যৰ সকলো দিশতে তেওঁৰ প্ৰতিভা প্ৰকাশ পাইছে। শইকীয়াৰ জীৱনী-সাহিত্য অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক বিশেষ সংযোজন। তেখেতৰ জীৱনীমূলক গ্ৰন্থকেইখন হ'ল ঃ

**ক) স্বপ্ন আৰু স্মৃতি ঃ প্ৰথম খণ্ড - ধূলিৰ ধেমালি, (২০০২)**

**খ) এজন সন্ত তাঁতিৰ জীৱন-কাহিনী (২০০১), আৰু**

**গ) ব্যক্তিত্বৰ ভাস্কৰ্য**

ইয়াৰে প্ৰথমখন অৰ্থাৎ 'স্বপ্ন আৰু স্মৃতি' তেখেতৰ আত্মজীৱনী। 'স্বপ্ন আৰু স্মৃতি'ৰ প্ৰথম খণ্ডটি গ্ৰন্থ ৰূপত প্ৰকাশ পাইছে। এইখনৰ নামেই 'ধূলিৰ ধেমালি'। ইয়াত শৈশৱৰ পৰা যৌৱনৰ প্ৰথম কাললৈকে নগেন শইকীয়াৰ জীৱন বৃত্তান্ত ৰূপায়িত হৈছে। অৱশ্যে তাৰ মাজতে গ্ৰন্থখনি লিখি যোৱা সময়ত লেখকৰ মনলৈ অহা তৎকালীন সময়ৰ বিবিধ ভাব-চিন্তাও সন্নিৱিষ্ট হৈছে।

'ধূলিৰ ধেমালি' গ্ৰন্থখন মুঠ দহটা অধ্যায়ত বিভক্ত। বৰ্ণনা ৰীতিৰ এটা ক্ৰম ৰক্ষা কৰিবলৈ এনে অধ্যায় বিভাজন কৰা হৈছে। প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে আত্মজীৱনীকাৰে বৰ্ণনীয় বিষয়ৰ লগত সংগতি থকা একোটা কবিতাৰ পংক্তি তুলি দিছে। অধ্যায়বিলাকৰ মাজতো আৰু কেতিয়াবা শেষতো কবিতাৰ পংক্তি, উক্তি, প্ৰবচন ইত্যাদি তুলি ধৰা হৈছে। আত্মজীৱনীকাৰে তেওঁৰ জীৱনত সংঘটিত ঘটনাসমূহ এটা নিৰ্দিষ্ট ক্ৰম অনুযায়ী সজাই লৈছে। সেয়ে উপস্থাপনৰ ক্ষেত্ৰত ঘটনাপ্ৰবাহৰ মূল আঁতডাল ক'তো হেৰাই যোৱা নাই। আন কথাত, আত্মজীৱনীখনৰ কলাত্মক ৰূপ এটা নিৰ্মাণ কৰা হৈছে।